**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ ষষ্ঠ      বিষয় ঃ ভাষা-১ (অসমীয়া)    চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

➯ জীৱনী, প্ৰবন্ধ, চিঠি, লোকগীত (স্থানীয়) আদিৰ বিষয়ে লিখিব পৰা, সেইবোৰ পঢ়ি বুজি পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা।

➯ পাঠত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ অৰ্থোদ্ধাৰ কৰি প্ৰয়োজন মতে লিখনিত ব্যৱহাৰ কৰা।

➯ স্থানীয় লোকগীত লিপিবদ্ধ কৰিব পৰা।

➯ পদ্য/কবিতা লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) আৱিষ্কাৰৰ কাহিনী | - | পাঠ নং ১৩ |
| খ) স্কাউট আৰু গাইড | - | পাঠ নং ১৪ |
| গ) মহো-হো গীত | - | পাঠ নং -১৫ |

পাতনি ঃ

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন-২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশল (শ্ৰৱণ, কথন, পঠন আৰু লিখন) ৰ শুদ্ধ ৰূপত বিকাশ ঘটোৱাই হৈছে ভাষা শিক্ষণৰ প্ৰধান উদ্দেশ্য। গুণোৎসৱৰ ২০১৭ৰ ফলাফলৰ আধাৰত দেখা গৈছে যে শিকন কৌশল আয়ত্তকৰণত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। দেখিবলৈ পোৱা গৈছে যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ, একে উচ্চাৰণৰ বেলেগ অৰ্থ বুজোৱা বানান, যতি-বিৰাম চিহ্নৰ প্ৰয়োগ, মূৰ্ধন্য আৰু দন্ত্য বৰ্ণ ব্যৱহাৰ, 'ত, ট, ঠ, থৰ ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট ভুল কৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ হাতৰ আখৰ সন্তোষজনক নহয়। লিখন প্ৰক্ৰিয়াত বানান ভুল হোৱাৰ বাবে শব্দৰ অৰ্থও বহুক্ষেত্ৰত সলনি হয়। লিখনৰ দুৰ্বলতাসমূহ পূৰাবৰ বাবে সময়ে সময়ে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠৰ পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে। লিখন কৌশলৰ বিকাশৰ বাবে নতুন নতুন শিকন কৌশল আৰু ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত সন্নিবিষ্ট কৰা হৈছে।

এই সমল সামগ্ৰীটোত চতুৰ্থ (৪ৰ্থ) সাময়িকীৰ পাঠ 'আৱিষ্কাৰৰ কাহিনী' (পাঠ নং-১৩), 'স্কাউট আৰু গাইড' (পাঠ নং-১৪) আৰু 'মহো-হো গীত' (পাঠ নং-১৫), অন্তৰ্ভুক্ত কৰা হৈছে। উল্লিখিত পাঠ তিনিটাত পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, শব্দ-সংক্ষিপ্তকৰণ কৰি লিখা, ণত্ববিধি, ষত্ববিধিৰ বিষয়ে জ্ঞান লাভ কৰি প্ৰয়োজনমতে ব্যৱহাৰ কৰিব পৰা, স্থানীয় উপ-ভাষাৰ শব্দবোৰৰ অৰ্থোদ্ধাৰ কৰি প্ৰয়োজনসাপেক্ষে লিখিনিত ব্যৱহাৰ কৰিব পৰা, শব্দ বাক্য ভুল নোহোৱাকৈ পদ্য, কবিতা লিখাব পৰা আদি লিখনৰ অৰ্হতাসমূহ সন্নিৱিষ্ট কৰা হৈছে।

এই সমল সামগ্ৰীটোত সন্নিবিষ্ট কৰা ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনাসমূহ 'শিক্ষক-শিক্ষয়িত্ৰীসকলে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল লাভ কৰিব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম**

⇨ ছাত্ৰ-ছাত্ৰীৰ বানান শুদ্ধভাৱে আয়ত্ত কৰি, ভালদৰে পাঠ বুজি উঠাৰ পিছত কোনো এটা বিষয়ৰ ওপৰত প্ৰবন্ধ, চিঠি আদি সুন্দৰ আৰু স্পষ্টৰূপত প্ৰকাশ কৰাৰ দক্ষতা বাঢ়িব।

⇨ স্থানীয় উপ-ভাষাৰ শব্দৰ অৰ্থ বুজি সঠিক ৰূপত শব্দৰ প্ৰয়োগ কৰা দক্ষতা বৃদ্ধি পাব।

⇨ সৃষ্টিশীল লিখনিৰ ভৰিষ্যতে নিজৰ ভাব-অনুভূতি, যুক্তি আবেগৰ প্ৰকাশ আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব।

⇨ লিখনৰ গতি বৃদ্ধি পাব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমল সামগ্ৰী অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক লিখন কৌশলত পাৰদৰ্শী কৰি প্ৰবন্ধ, জীৱনী, লোকগীত আদিৰ বিষয়ে লিখিব পৰাকৈ নতুন ক্ৰিয়া-কলাপ অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ স্থানীয় গীত-মাত লিখনৰ দ্বাৰা লিপিবদ্ধ কৰিব পৰাৰ উপৰি বিষয়বস্তুৰ অনুসন্ধানৰ বাবে সুবিধা দিব পাৰিম।

⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে নিজৰ ভাব, অনুভূতি, চিন্তা আদি প্ৰকাশ কৰাৰ সুযোগৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ উপৰি আমি শিক্ষক-শিক্ষয়িত্ৰীসকলে আত্ম মূল্যায়নৰো সুবিধা পাম আৰু নতুন চিন্তা কৌশল আদিৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰীৰ আধাৰত আমি ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত কেনে ধৰণৰ ওপৰঞ্চি নতুন কাৰ্যকলাপ কৰিব পৰা যায় তাৰ বিষয়ে অৱগত হ'ব পাৰিম।

⇨ পাঠ্যপুথিত থকা ১৩ নং, ১৪ নং আৰু ১৫ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হোৱাকৈ অতিৰিক্ত ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। এই অতিৰিক্ত ক্ৰিয়া-কলাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াক অধিক গতিশীল আৰু ফলপ্ৰসূ কৰি তোলাত সহায় কৰিব।

⇨ এই সমল সামগ্ৰীৰজৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বানান শুদ্ধকৈ লিখিব পৰা, পাঠ এটি পঢ়ি পাঠভিত্তিক উত্তৰ লিখিব পৰা, স্থানীয় উপভাষাৰ শব্দ প্ৰয়োজনমতে ব্যৱহাৰ কৰিব পৰা আৰু সৃষ্টিশীল লিখনিৰ বিষয়ে থকা শিকন ঘাটি পূৰণাৰ্থে বিভিন্ন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপ কৰিব পৰা যাব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটি আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল—**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
| ১) জীৱনী, প্ৰবন্ধ, লোকগীত আদিৰ পাঠ পঢ়ি বুজি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা। | পঢ়িবলগীয়া পাঠত চিত্ৰসহ দফা লিখা থকা কাৰ্ড। | দলগত ক্ৰিয়া-কলাপ | ১) উত্তৰ লিখা—<br>ভেকুৰাম ব্ৰে'কৰ বাবে কোন কোম্পানী কিয় বিখ্যাত হৈ পৰিছিল ?<br>২) অহৰহ প্ৰচেষ্টা কৰিলে কিদৰে সফলতা লাভ কৰিব পাৰি সেই কথা উদাহৰণসহ লিখা।<br>৩) 'স্কাউট আৰু গাইড'ৰ প্ৰতিটো পৰ্যায়ৰ নাম উল্লেখ কৰি বৰ্ণনা কৰা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

| | | | | |
|---|---|---|---|---|
| ২) পাঠত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ অৰ্থোদ্ধাৰ কৰি প্ৰয়োজন মতে ব্যৱহাৰ কৰা। | ছবি বা চিত্ৰসহ দফাত থকা শব্দৰ অৰ্থ কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | ৪) লৰি-চৰি যাওঁতে। সোণাৰ কড়ি পাওঁতে।। সোণাৰ কড়ি ৰূপৰ মালা। আথেৰ ঘৰ দেইখ্‌বা ভালা।। এই গীতৰ স্তৱকটি মান্য ভাষাত বুজাই লিখা ৫) গোৱালপৰীয়া লোকগীতৰ বিষয়ে গীতসহ এটি টোকা লিখা। ৬) তুমি বাস কৰা অঞ্চলৰ আলমত এটি পদ্য/কবিতা লিখা | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ৩) স্থানীয় লোকগীত লিপিবদ্ধ কৰিব পৰা | চিত্ৰসহ নিৰ্দিষ্ট পাঠৰ দফাৰ অৰ্থ থকা কাৰ্ড আৰু মূলভাব থকা, লোকগীতৰ বিশেষ অৰ্থ থকা কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | | |
| ৪) পদ্য/কবিতা লিখিব পৰা | পদ্য/কবিতা/গীত আদিৰ অৰ্থ থকা কবিতাৰ আৰ্হি কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

জীৱনী, প্ৰৱন্ধ, গীত আদি পাঠ পঢ়ি বুজি লিখি প্ৰকাশ কৰা আৰু ভুল বানানৰ শুধৰণিৰ বাবে লোৱা ব্যৱস্থাৱলী। নীলিমা ডেকা বাইদেউ বঙাইগাঁও জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ শিক্ষয়িত্ৰী। নীলিমা বাইদেৱে অসমীয়া বিষয়টোৰ ষষ্ঠ শ্ৰেণীত পাঠদান কৰা সময়ত মন কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলৰ বানান, প্ৰৱন্ধ লিখন, মূলভাৱ, চিঠি, সৃষ্টিমূলক লিখনি, শব্দৰ সঠিক অৰ্থ প্ৰয়োগেৰে পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখা আদি লিখনৰ ক্ষেত্ৰত যথেষ্ট ঘাটি আছে। এই ঘাটিসমূহ আতঁৰাবৰ বাবে নীলিমা বাইদেৱে পৰ্যায়ক্ৰমে পাঠ নং-১৩ৰ আলমত নিদানমূলক ব্যৱস্থা পৰিকল্পনা কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰয়োগ কৰিলে।

**প্ৰস্তুতি ঃ**

নীলিমা ডেকা বাইদেৱে অংকুৰণ পাঠ্যপুথিৰ ১৩ নং পাঠটোৰ আলমত এটি ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিলে। বাইদেৱে ১৩ নং পাঠ 'আৱিষ্কাৰৰ কাহিনী'ৰ পৰা ৪টা সৰু সৰু দফা চাৰিখন কাৰ্ডত লিখি ল'লে। চাৰিখন পুৰণি কেলেণ্ডাৰৰ ওলোটা পিঠিত এই দফাসমূহৰ স্পষ্ট অৰ্থ প্ৰকাশ পোৱাকৈ লিখি প্ৰস্তুত কৰি ল'লে। বাইদেৱে শ্ৰেণীকোঠাত থকা ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক ৪টা দলত ভাগ কৰিলে আৰু প্ৰতিটো দলকে প্ৰস্তুত কৰি থোৱা কাৰ্ডকেইখনৰ এখনকৈ ভগাই দিলে।

বাইদেৱে কাৰ্ডত থকা দফাবোৰ ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢ়ি দলগতভাৱে আলোচনা কৰি স্পষ্ট আৰু শুদ্ধভাৱে দফাটোৰ অৰ্থ আৰু ভাৱ বুজাই লিখাৰ বাবে উৎসাহিত কৰিলে। তাৰ পিছত লিখনিসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সলনা-সলনি কৰি পঢ়ি চাবলৈ দিয়াৰ উপৰি ভুলবোৰ শুধৰাই দিবলৈ উৎসাহিত কৰিলে।

তাৰ পিছত নীলিমা বাইদেৱে আগতে প্ৰস্তুত কৰি থোৱা পাঠৰ দফাৰ অৰ্থ প্ৰকাশ হোৱাকৈ লিখি থোৱা মূলভাবৰ কেলেণ্ডাৰ চাৰিখন সন্মুখৰ বেৰত আঁৰি দি, তেওঁলোকে নিজৰ নিজৰ ভিতৰতে শুদ্ধাশুদ্ধ বিচাৰি, ভুল কৰি শব্দবোৰ প্ৰত্যেককে ব্যক্তিগতভাৱে চাৰিবাৰকৈ লিখিবলৈ দিলে। নীলিমা বাইদেৱে বানান ভুল হোৱাৰ কাৰণবোৰ বুজাই দিয়াৰ উপৰি দফাৰ শব্দৰ অৰ্থ আকৌ এবাৰ বুজাই দিলে। এইদৰে ছাত্ৰ-ছাত্ৰীসকলক পুনৰ সুন্দৰ হাতৰ আখৰেৰে শুদ্ধভাৱে বানান লিখি পাঠৰ উত্তৰ লিখা কাৰ্য কৰাৰ বাবে উৎসাহিত কৰিলে।

এই ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীসকলে এক নতুন অভিজ্ঞতা লাভ কৰি লৈ আৰু আনন্দ মনেৰে শিকন কাৰ্য কৰিলে। এই ক্ৰিয়া-কলাপটোত ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণৰূপে জড়িত আৰু ব্যস্ত হোৱাৰ উপৰি ইজনে সিজনক সহযোগ কৰিছিল। ইয়াৰ উপৰি শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ দুজনৰ বাবে বাইদেৱে বিশেষ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। শ্ৰেণীকোঠাৰ আন ছাত্ৰ-ছাত্ৰীসকলৰ দৰেই যাতে আনন্দমনে সকলোৱে পাঠ গ্ৰহণ কৰিব পাৰে সেই বিষয়ে বাইদেউ যথেষ্ট সচেতন আছিল।

এনেদৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠ্যপুথিত থকা 'স্কাউট আৰু গাইড' (পাঠ নং ১৪) আৰু মহো-হো গীত (পাঠ নং-১৫)ৰ পৰাও দফা নিৰ্বাচিত কৰি লিখন কাৰ্য কৰিবৰ বাবে উৎসাহিত কৰিব পাৰে।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ নীলিমা বাইদেৱে লিখন কাৰ্যত হ'ব পৰা জটিলতা দূৰ কৰিবলৈ কি পদক্ষেপ ল'লে?

⇨ শ্ৰেণীকোঠাত থকা সকলো ছাত্ৰ-ছাত্ৰীক সমানে জড়িত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছিল?

⇨ নীলিমা বাইদেৱে কৰা ক্ৰিয়া-কলাপৰ দৰে আমিও শ্ৰেণীকোঠাত উদ্ভাৱনীমূলক নতুন ক্ৰিয়া-কলাপ কৰিব পাৰিমনে?

উল্লিখিত নীলিমা বাইদেউৰ ক্ৰিয়া-কলাপৰ আলমত আমিও কেইটামান ক্ৰিয়া-কলাপ কৰি চাওঁ আহক—

**ক্ৰিয়া-কলাপ—**

ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো ঘটনা, উৎসৱ-পাৰ্বনৰ অনুষ্ঠান আদিৰ বিষয়ে শুদ্ধ ৰূপত লিখিব নোৱাৰে। সেইবাবে তেওঁলোকক তলত উল্লেখ কৰা বিষয়ে লিখিবলৈ দিব পাৰি; যেনে— নিজৰ গাঁও বা চহৰত উদ্‌যাপিত হোৱা উৎসৱ অনুষ্ঠান আদি।

**প্ৰস্তুতি ঃ** চাৰিখন কাৰ্ড প্ৰস্তুত কৰি তাৰ শিৰোনামবোৰ এনেদৰে দিব পাৰি—

(ক) তোমাৰ গাঁৱত উদ্‌যাপিত হোৱা এটি লোক নাট্য উৎসৱৰ বৰ্ণনা।

(খ) তোমাৰ গাঁৱত বা চহৰত প্ৰচলিত লোকগীত কেইটিমানৰ সংগ্ৰহ।

(গ) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা এটি অনুষ্ঠান।

(ঘ) তোমাৰ অঞ্চলত প্ৰচলিত এটি সাধুকথা।

শিক্ষক-শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে দলত ভাগ কৰি আগতেই প্ৰস্তুত কৰি থোৱা কাৰ্ডসমূহ বিলাই দিব আৰু ছাত্ৰ-ছাত্ৰীসকলক দলীয়ভাৱে আলোচনা কৰি উত্তৰবোৰ লিখিবলৈ উৎসাহিত কৰিব। ছাত্ৰ-ছাত্ৰীবোৰে লিখাৰ পিছত শিক্ষক-শিক্ষয়িত্ৰীয়ে ভুলবোৰ শুধৰাই ল'বলৈ সুযোগ দিয়াৰ উপৰি প্ৰস্তুত কৰি থোৱা উল্লিখিত বিষয়বোৰ চিত্ৰসহকাৰে বেৰত আঁৰি ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিব আৰু ভুলবোৰ শুধৰাবৰ বাবে পৰামৰ্শ দিব। তদুপৰি ছাত্ৰ-ছাত্ৰীক মনত উদয় হোৱা প্ৰশ্নবোৰ আলোচনা কৰিবলৈ উৎসাহিত কৰিব।

পাঠ্যপুথিত থকা ১৪নং আৰু ১৫নং পাঠত থকা পাঠৰ আলমত নিজৰ অভিজ্ঞতা লিখিবলৈ উৎসাহিত কৰিব পাৰিব। সেইদৰে নিজৰ থকা ঠাইখনৰ উৎসৱ অনুষ্ঠান ভালদৰে পৰ্যৱেক্ষণ কৰি সেই বিষয়ে সৃষ্টিশীল ৰচনা, প্ৰৱন্ধ লিখিবলৈ উৎসাহিত কৰিব পাৰিব। এই ক্ৰিয়া-কলাপত শ্ৰেণীকোঠাত থকা বিশেষভাৱে ছাত্ৰ-ছাত্ৰীক বিশেষ গুৰুত্ব দিব লাগিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰিব পাৰি—

(১) (ভেকুৰাম ব্ৰেক) বায়ুশূণ্য ব্ৰেক কি বুজাই লিখা।

(২) প্ৰযুক্তিবিদ গুৰুপ্ৰসাদ দাসৰ কৰ্ম জীৱনৰ বিষয়ে লিখা।

(৩) তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা এটি উৎসৱ অনুষ্ঠানৰ বিষয়ে বৰ্ণনা কৰি তোমাৰ বন্ধুলৈ এখন চিঠি লিখা।

(৪) অসমত 'মহো-হো' লোকউৎসৱ কেতিয়া আৰু কিয় উদ্‌যাপন কৰা হয় বৰ্ণনা কৰা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

১)(ক) ভেকুৰাম ব্ৰেকৰ বাবে কোন কোম্পানী কিয় বিখ্যাত হৈ পৰিছিল?

(খ) অহৰহ প্ৰচেষ্টা কৰিলে কিদৰে সফলতা লাভ কৰিব পাৰি উদাহৰণসহ লিখা।

২) (ক) 'স্কাউট-গাইড'ৰ প্ৰাৰ্থনা গীতটোৰ মূলভাব তোমাৰ ভাষাত লিখা।

(খ) 'স্কাউট আৰু গাইড'ৰ সংগঠনটোৰ প্ৰতিটো পৰ্যায়ৰ নাম উল্লেখ কৰি বৰ্ণনা কৰা।

৩) (ক)লৰি চৰি যাওঁতে

সোণাৰ কড়ি পাওঁতে।।

সোণাৰ কড়ি ৰূপাৰ মালা।

আথেৰ ঘৰ দেইখ্‌বা ভালা।।

এই গীতৰ স্তৱকটি মান্য ভাষাত বুজাই লিখা।

(খ)যি কোনো এটা গোৱালপৰীয়া লোকগীতৰ বিষয়ে উদাহৰণসহ এটি টোকা লিখা।

(গ) তুমি বাস কৰা অঞ্চলৰ আলমত এটি পদ্য লিখা।

**প্ৰসংগ পুথি ঃ**

⇨ পাঠ্যপুথি — অংকুৰণ (ষষ্ঠ শ্ৰেণী)

⇨ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা ঃ চনেশ্বৰ দাস

⇨ গুণোৎসৱ আৰু নাচ (এন এ এছ-২০১৭) ৰ ফলাফল

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান

*****